**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-02-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ব পৰ্যায়লৈ নিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** আজি গুৱাহাটী সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে আজি ৮ হাজাৰৰো অধিক নাচনী আৰু কলা-কুশলীয়ে **ঝুমইৰ বিনন্দিনী**ৰ অনুষ্ঠান পৰিৱেশন কৰিব। এই অনুষ্ঠানৰ লগতে এডভাণ্টেজ আছাম টু পইণ্ট অ' কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীগৰাকী দুদিনীয়া কাৰ্যসূচীৰে আজি গুৱাহাটীত উপস্থিত হ'বহি। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলত প্ৰকাশ কৰা মতে আজি সন্ধিয়া চাৰে পাঁচ বজাত **ঝুমইৰ বিনন্দিনী** অনুষ্ঠান আৰম্ভ হ'ব। আজিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান উপভোগ কৰিব। এইসকলকে ধৰি এডভাণ্টেজ আছাম অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অসমলৈ অহা দেশ-বিদেশৰ ৩৫০ গৰাকী অতিথিয়ে এই অনুষ্ঠান উপভোগ কৰিব। এই অনুষ্ঠান ৰাজ্যৰ ৮০০ খন চাহ বাগিচাত টিভি, এল ই ডি, প্ৰজেক্টৰৰ জৰিয়তে চৰকাৰে প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী কালিৰ **ঝুমইৰ বিনন্দিনী**ৰ অন্তিম আখৰাত উপস্থিত থাকে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনৰ উদ্দেশ্যে আয়োজন কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠান চোৱাৰ বাবে প্ৰৱেশ পত্ৰ লোৱা লোকসকলক আজি বিয়লি চাৰে ৩ বজাৰ ভিতৰত ষ্টেডিয়ামত অংশগ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ষ্টেডিয়ামত উপস্থিত হৈ এখন বিশেষ বাহনেৰে ষ্টেডিয়ামৰ চাৰিওফালে ঘূৰি অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পী আৰু দৰ্শকক অভিবাদন জনাব। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ সকলো বিধায়কে আমন্ত্ৰণ জনোৱা হৈছে। ইপিনে, কালি **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ চূড়ান্ত আখৰা চাই মুখ্যমন্ত্ৰীয়ে পৰৱৰ্তী পৰ্যায়ত নতুন দিল্লীত ২৫ হাজাৰ শিল্পীৰ অংশগ্ৰহণেৰে বৃহৎ পৰিসৰত ঝুমুৰ নৃত্য পৰিৱেশনৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰা বুলিও উল্লেখ কৰিছে। একেদৰে অহা নৱেম্বৰত বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্য বিশ্বৰ প্ৰেক্ষাপটত উপস্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি চলাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

০০০০০০০০

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। শ্ৰীমোডীয়ে আজি ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী** উপভোগ কৰি সন্ধিয়াৰ ভাগত সন্মিলনৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। কাইলৈ প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব।

এই সন্মিলনৰ বাবে মহানগৰীৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। এই অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে পৰ্যাপ্ত সংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে সকলো দিশত নিৰাপত্তাৰক্ষী সকলে চোকা দৃষ্টি ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতিনিধিসকলক ৰাষ্ট্ৰীয় ঘাইপথেৰে অনুষ্ঠানস্থলীলৈ অনা হ'ব যাতে গুৱাহাটীৰ ভিতৰত যান-বাহনৰ চলাচল বিশেষভাৱে প্ৰভাৱিত নহয়। অৱশ্যে, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক তথা বিশেষ বাবে সক্ষম ব্যক্তি আৰু জৰুৰীকালীন বাহন আদিৰ চলাচলত সুবিধা হোৱাকৈ মহানগৰ আৰক্ষী জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। আজিৰেপৰা পৰা পৰহিলৈ পৰ্যন্ত এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ  কালি মন্ত্ৰী সভাৰ বৈঠকে অনুমোদন জনায়। কালি দিছপুৰত অনুষ্ঠিত বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মেলত এই বৃহৎ পৰিমাণৰ বিনিয়োগৰ বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে এই সময়চোৱাতে জিলা পৰ্যায়ত ৫ লাখ টকাৰ পৰা ৫০ কোটি টকালৈ বিনিয়োগৰ বাবে জিলা আয়ুক্তসকলে ২হেজাৰ ৫৯০খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। জিলা পৰ্যায়ত হোৱা এই চুক্তিৰ পৰা ১৫ হাজাৰ ৫৯০ কোটি টকা বিনিয়োগ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অৱশ্যে,কামৰূপ মহানগৰ জিলাৰ বাবে বুজাবুজিৰ চুক্তি সমূহ এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বিভিন্ন মন্ত্ৰালয়ে  এই সন্মিলনত আন্তঃগাঁথনি বিনিয়োগৰ ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়। ধন বিনিয়োগ সম্পৰ্কীয় বুজাবুজি চুক্তিৰ উপৰি বিত্তীয় উপাদান জড়িত নথকা কেতবোৰ চুক্তি যেনে-প্ৰযুক্তিৰ বণ্টন, শৈক্ষিক সহযোগিতাক ধৰি কেইবাটাও বিষয়ত চুক্তি স্বাক্ষৰ হ'ব বুলি তেওঁ কয়। ইয়াৰ ফলত বিনিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰিলায়েন্স আৰু আদানী গ্ৰুপে সন্মিলনত কোনো ধৰণৰ চুক্তি নকৰে যদিও বিনিয়োগ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিব বুলি ড° শৰ্মাই কয়। একেদৰে, জাপান আৰু ছিংগাপুৰে বিনিয়োগ সন্দৰ্ভত চুক্তি নকৰে যদিও দেশ দুখনত অসমৰ যুৱক-যুৱতীৰ দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ সুযোগ দিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে আয়োজন কৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ অহা ৪৫ খন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তই আজি একেলগে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা দলটোৱে কালি কাজিৰঙাত নিশা যাপন কৰে। ৰাষ্ট্ৰদূতসকলৰ বাবে নিশা সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত অসমৰ বাৰেৰহনীয়া কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। দলটোৱে আজি পুৱা হাতী ছাফাৰী কৰাৰ পাছত মিহিৰমুখৰ পিলখানাত হাতীক বিভিন্ন খাদ্য খুৱায়।

০০০০০০০

সমাপ্ত